**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। হয়বৰগাঁও ৰে'ল ষ্টেচনৰ লগতে দেশৰ মুঠ ১০৩টা অমৃত ষ্টেচন আজি উদ্বোধন।

২। নেৰেনেপেৰা বৰষুণৰ ফলত ৰাজ্যত বিভিন্ন নৈ-উপনৈৰ জলপৃষ্ঠ ক্ৰমাৎ বৃদ্ধি। বানৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ ১০০ কোটি টকা মুকলি।

৩। পৰ্যটনকেন্দ্ৰিক অৰ্থনীতি শক্তিশালী কৰাৰ উদ্দেশ্যে ৰাজ্যত সংগীত মহোৎসৱ আয়োজন কৰিবলৈ অসম মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি লখিমপুৰ জিলাৰ বায়ুসেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত ছাৰ্জেণ্ট চিত্তৰঞ্জন বৰাৰ অভিমত। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে ৫৯ ৰানত জয়লাভ।

০০০০০০

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনৰ লগতে দেশৰ মুঠ ১০৩টা ৰে'ল ষ্টেচনক আজি অমৃত ষ্টেচনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকিব। ষ্টেচনটো অমৃত ষ্টেচনলৈ উন্নীতকৰণৰ কাৰ্যসূচী সন্দৰ্ভত আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয় ---

**-ৰাইট-**

অমৃত ষ্টেচনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেচনসমূহত শ্ব'পিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

০০০০০০

কেইবাদিন ধৰি ৰাজ্যত হৈ থকা নেৰেনেপেৰা বৰষুণৰ ফলত বিভিন্ন নৈ-উপনৈৰ জলপৃষ্ঠ ক্ৰমাৎ বৃদ্ধি পাইছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি ৰাজ্যখনৰ বিভিন্ন অঞ্চলত বৰষুণ অব্যাহত থাকিব। অহা তিনি-চাৰিদিনৰ ভিতৰত কেৰালাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলতো দক্ষিণ-পশ্চিম মৌচুমী বতাহ প্ৰৱেশ কৰিব। বতৰ বিজ্ঞান

বিভাগৰ পূৰ্বানুমান অনুসৰি ২০০৯ চনৰ পিছত ভাৰতৰ মূল ভূখণ্ডত এয়াই হ'ব মৌচুমী বতাহৰ আগতীয়া আৰম্ভণি। সাধাৰণতে ১ জুনৰ ভিতৰত দক্ষিণ-পশ্চিম মৌচুমী বতাহে কেৰালাত প্ৰৱেশ কৰে আৰু ৮ জুলাইৰ ভিতৰত সমগ্ৰ দেশতে এয়া বিয়পি পৰে।

ইপিনে কপিলীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে নীপকোৱে খানদং প্ৰকল্পৰ ৭ খন গে'ট খুলি দিয়াৰ ফলত কামপুৰত পৰহিৰ পৰা বানসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। নৈপৰীয়া ৰাইজক সকাহ দিবলৈ জলসম্পদ বিভাগে গাৰোখুন্দাৰ পৰা গোসাঁইগাঁওলৈকে নিৰ্মাণ কৰা মথাউৰিৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে যদিও অঞ্চলবাসী এতিয়াও শংকামুক্ত হ'ব পৰা নাই।

ৰাজ্য চৰকাৰে বাৰিষা কালৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি বানৰ আগতীয়া প্ৰস্তুতিৰ অংশ হিচাপে ৩৫ খন জিলা আৰু ৩৯ খন সমজিলাৰ বাবে ১০০ কোটি টকা মোকলাই দিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বান প্ৰস্তুতি সন্দৰ্ভত ইতিমধ্যে কেইবাখনো বৈঠক অনুষ্ঠিত হৈছে আৰু সম্ভাব্য বান পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে জিলা আয়ুক্তসকলক যাৱতীয় নিৰ্দেশনা দিয়া হৈছে।

**বাইট (কেশৱ মহন্ত)**

oooooo

ৰাজ্যত সংগীত মহোৎসৱ আয়োজনেৰে পৰ্যটনকেন্দ্ৰিক অৰ্থনীতি শক্তিশালী কৰাৰ উদ্দেশ্যে অসম মন্ত্ৰীসভাই কালি উন্নতমানৰ সংগীতানুষ্ঠান আয়োজনত অনুমোদন জনায়। এই অনুসৰি অহা ৮ ডিচেম্বৰত গুৱাহাটীত প্ৰথমখন বৃহৎ সংগীতানুষ্ঠানৰ আয়োজন কৰা হ'ব। আমেৰিকান ৰেপাৰ প'ষ্ট মেলনে এই অনুষ্ঠানত সংগীত পৰিৱেশন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দেৰগাঁৱত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে পৰৱৰ্তী সময়ত যোৰহাট, ডিব্ৰুগড় আদিতো এনে কনছাৰ্ট বা সংগীতানুষ্ঠানৰ আয়োজন কৰা হ'ব। ইয়াৰ বাবে প্ৰয়োজনীয় স্থানসমূহ বিশ্বমানৰ পোহৰ আৰু শব্দ প্ৰযুক্তিৰ সৈতে বিকশাই তুলিবলৈ কালি অসম মন্ত্ৰীসভাৰ বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত কাজিৰঙাৰ ষষ্ঠ সংযোজনত চূড়ান্ত অনুমোদন দিয়াৰ লগতে লাচিত বৰফুকন পুলিচ একাডেমীৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে ২২৯ কোটি টকা আবণ্টনত অনুমোদন জনোৱা হয়। ডিব্ৰুগড়ত অসম বিধানসভা ভৱন নিৰ্মাণৰ বাবে মন্ত্ৰীসভাই ২৮৪ কোটি টকাৰ অনুমোদন জনায়। একেদৰে জিলাখনত খনিকৰ ষ্টেডিয়ামলৈ ২০৯ কোটি টকাৰ অনুমোদন দিয়া হৈছে। এই ষ্টেডিয়ামত ৩৫ হাজাৰ দৰ্শক একেলগে বহিব পাৰিব।

ৰাজ্যৰ সৌৰশক্তি উৎপাদনৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ অসম সৌৰশক্তি উৎপাদন প্ৰচাৰ নীতি ২০২৫তো মন্ত্ৰীসভাই অনুমোদন জনায়। সেই অনুসৰি ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ ৫০০ মেগাৱাট সৌৰশক্তি উৎপাদন তথা ৰাজ্যত ব্যক্তিগত আৰু ৰাজহুৱা বিনিয়োগক আকৰ্ষণ কৰি প্ৰায় ১৫ হাজাৰ নিয়োগ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। বৈঠকৰ সিদ্ধান্ত অনুসৰি অসম চাহ কোম্পানী লিমিটেডৰ চাহ শ্ৰমিকৰ বাবে অহা ১ অক্টোবৰৰ পৰা দৈনিক মজুৰি ২২০ টকাৰ পৰা ২৫০ টকালৈ বৃদ্ধি কৰাৰ কথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে।

oooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ আইন শৃংখলা সবলীকৰণ, অপৰাধ অনুসন্ধান প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰ কৰা আৰু আৰক্ষীৰ বাহিনীৰ সংস্কাৰত গুৰুত্ব আৰোপ কৰিছে। কালি দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত অনুষ্ঠিত দুদিনীয়া আৰক্ষী অধীক্ষক সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আৰক্ষীক অধিক জনমুখী, তৎপৰ আৰু দায়বদ্ধ কৰি তোলাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়োৱাৰ লগতে অভিযোগকৰণ সঞ্চালক গঠনৰো সিদ্ধান্ত গ্ৰহণ কৰে। এই পদক্ষেপে অপৰাধ অনুসন্ধান আৰু ফৰিয়াদী প্ৰক্ৰিয়া অধিক কাৰ্যকৰী তথা সুষম কৰি তুলিব।

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **লখিমপুৰ জিলাৰ বায়ুসেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত ছাৰ্জেণ্ট চিত্তৰঞ্জন বৰাক।** ১৯৮৪ চনৰ পৰা ২০০৪ চনলৈকে বায়ুসেনা বাহিনীত কৰ্মৰত শ্ৰী বৰাই কাৰ্গিল যুদ্ধৰ সময়ৰ শিহৰণকাৰী অভিজ্ঞতা লাভ কৰাৰ লগতে মুম্বাইৰ ভাবা পাৰমাণৱিক শক্তি প্ৰকল্পত যুদ্ধৰ সময়ত ৰক্ষক হিচাপে দায়িত্ব পালন কৰিছিল। শ্ৰী বৰাই তেওঁৰ অভিজ্ঞতা আৰু অপাৰেচন সিন্দূৰৰ কাৰ্যকৰিতা সন্দৰ্ভত আমাৰ লখিমপুৰৰ সংবাদদাতা হিমাদ্ৰী দিহিঙীয়াৰ  আগত এইদৰে কয় –

**(বাইট)**

০০০০০০

বি টি আৰৰ কিতাপ ক্ৰয়ৰ নামত কেইবা কোটি টকাৰ অনিয়ম হোৱা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত বি টি আৰ প্ৰশাসনে এখন ছজনীয়া উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি তদন্তৰ নিৰ্দেশ দিছে। এই সমিতিত গুৱাহাটী উচ্চ ন্যায়ালয়ত বি টি আৰৰ স্থায়ী পৰামৰ্শদাতা শব্দৰাম ৰাভা অধ্যক্ষ হিচাপে থকাৰ লগতে বি টি আৰৰ সচিব ধীৰাজ সাউদ সদস্য সচিব হিচাপে থাকিব। এই সমিতি ২০ মে'ৰ পৰা কাৰ্যকৰী হৈছে আৰু ১৫ দিনৰ ভিতৰত সমিতিখনে প্ৰতিবেদন দাখিল কৰিব লাগিব। উল্লেখযোগ্য যে বি টি আৰৰ শিক্ষা বিভাগত কিতাপ ক্ৰয়ৰ নামত প্ৰায় ৪ কোটি টকাৰ অনিয়ম সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন হোৱাৰ পাছতে মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কঠোৰ পদক্ষেপ গ্ৰহণৰ প্ৰতিশ্ৰুতি দিছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিল্লীত উত্তৰ-পূৰ্বাঞ্চল বিনিয়োগকাৰী সন্মিলন মুকলি কৰিব। দুদিনীয়াকৈ হ'বলগীয়া ৰাইজিং নৰ্থ-ইষ্ট ইনভেষ্টৰ্ছ নামৰ সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ বিনিয়োগ আৰু ব্যৱসায়িক সম্ভাৱনাসমূহ উপস্থাপন কৰা হ'ব। এই সন্মিলনত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ বিষয়ববীয়া, সাংসদ, উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে বহুসংখ্যক বিনিয়োগকাৰী উপস্থিত থাকিব। এই সন্মিলনখন ফিক্কি আৰু ইনভেষ্ট ইণ্ডিয়াৰ সহযোগত উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ে আয়োজন কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ডেলহি কেপিটেলছক ৫৯ ৰানত পৰাস্ত কৰি প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰা চতুৰ্থ তথা অন্তিমটো দল

ৰূপে পৰিগণিত হয়। ইয়াৰ বিপৰীতে আই পি এলৰ এইবাৰৰ সংস্কৰণত ডেলহি কেপিটেলছৰ যাত্ৰাৰ সামৰণি পৰে।

খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৮০ ৰান কৰে। মুম্বাইৰ হৈ সূৰ্য কুমাৰ যাদৱে ৪৩টা বলত ৭৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। দিল্লীৰ মুকেশ কুমাৰে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ডেলহি দলে ১৮ অভাৰ আৰু দুটা বল খেলি ১২১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ডেলহিৰ হৈ সমীৰ ৰিজিৱিয়ে সৰ্বাধিক ৩৯ ৰান কৰে। মুম্বাইৰ হৈ মিছেল ছেণ্টনাৰ আৰু যশপ্ৰীত বুমৰাই তিনিটাকৈ উইকেট দখল কৰে। সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

দমন আৰু ডিউত চলি থকা খেলো ইণ্ডিয়া বিচ্ছ গেমছত অসমে কালি দুটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ইয়াৰ পেনচাক চিলাটৰ ছোৱালীৰ গানডা ইভেণ্টৰ ডাবলছত কবিতা মুছাহাৰী আৰু সোণালী মুছাহাৰীয়ে ব্ৰঞ্জৰ পদক জয় কৰে। অসমে আনটো ব্ৰঞ্জৰ পদক ল'ৰাৰ ছেপাক টাক্ৰোৰ দলীয় শাখাত পাবলৈ সমৰ্থ হয়।

oooooo

দেৰগাঁৱত অনুষ্ঠিত অসম মন্ত্ৰীসভা বৈঠকৰ সিদ্ধান্ত, ছট্টিশগড়ত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ২৭ জন নক্সালবাদীৰ মৃত্যু, সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে ৰাজ্য চৰকাৰৰ আগতীয়াকৈ ১০০ কোটি টকাৰ সাহায্য মুকলিৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে ছট্টিশগড়ৰ নাৰায়ণপুৰৰ আবুজামাডত নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ২৭ জন মাওবাদী নিহত হোৱাৰ বাতৰিক 'মাওবাদী আন্দোলনৰ মেৰুদণ্ডস্বৰূপ বাসৱ ৰাজুসহ ২৭ নক্সালবাদী নিহত' শিৰোনামেৰে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে নিপকোৰে খানদং প্ৰকল্পত ৭ খনকৈ গে'ট খুলি দিয়াৰ ফলত কামপুৰত কপিলী নৈৰ জলপৃষ্ঠ ক্ৰমাৎ বৃদ্ধি পোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

কানাড়া লেখিকা বানু মুস্তাকে ২০২৫ বৰ্ষৰ বুকাৰ বঁটা লাভ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ভাৰতৰ অপাৰেচন সিন্দূৰৰ পাছত সৰ্বদলীয় সাংসদৰ কূটনৈতিক অভিযান আৰম্ভ কৰাৰ বাতৰিক 'মিছন সিন্দূৰ ২.০ আৰম্ভ'-জাপানলৈ উৰা মাৰিলে প্ৰদান বৰুৱা, সাজু ভূৱনেশ্বৰ কলিতা  শিৰোনামেৰে **আমাৰ অসম** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে উজনি অসমৰ একাংশ আৰক্ষী বিষয়া আৰু অইল, অ' এন জি চিৰ কমিচনখোৰ বিষয়া-কৰ্মচাৰীৰ সহযোগত পুনৰ সক্ৰিয় হৈ উঠা কুখ্যাত তেলচুৰি চক্ৰটোক উৎখাত কৰাত বৰ্তমানো

ৰাজ্যৰ আৰক্ষী প্ৰশাসন ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ বাতৰিক 'উজনিত চোৰাং খাৰুৱা তেলৰ ভয়ংকৰ নেটৱৰ্ক শিৰোনামেৰে প্ৰকাশ কৰিছে।

গুৱাহাটী মহানগৰীৰ ৩৬৬ টা স্থান ভূমিস্খলন প্ৰৱণ ৰূপে চিনাক্ত কৰাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতে মিজোৰাম দেশৰ প্ৰথমখন সম্পূৰ্ণ সাক্ষৰ ৰাজ্যৰূপে পৰিগণিত হোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে প্ৰধানমন্ত্ৰীৰ দ্বাৰা কাইলৈ দিল্লীত বিনিয়োগকাৰী শীৰ্ষ সন্মিলন মুকলিৰ বাতৰিক 'PM TO INAUGURATE NE INVESTORS MEET TOMORROW' শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে গুৱাহাটী উচ্চ ন্যায়ালয়ে বিদেশী ন্যায়াধীকৰণৰ সদস্যসকলৰ নিয়মীয়া দৰমহা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়াৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত